# অসম লোকসেৱা আয়োগৰ বাছনি পৰীক্ষাসমূহ ফলপ্ৰসু কৰাৰ বাবে পদক্ষেপ

গুৱাহাটী মহানগৰীৰ নিৰ্বাচিত মহাবিদ্যালয়-বিদ্যালয়সমূহৰ সন্মানীয় অধ্যক্ষ-প্ৰধানশিক্ষক-আচাৰ্য্যকে ধৰি পৰীক্ষাসমিতিৰ বিষয়ববীয়াসকলৰ উপস্থিতিত অসম লোকসেৱা আয়োগৰ দ্বাৰা যোৱা ৫ অক্টোবৰ, ২০২০ ত আয়োগৰ সন্মানীয় অধ্যক্ষ পল্লৱ ভট্টাচাৰ্য্যৰ পৌৰোহিত্যত এক সচেতনতামূলক চিন্তন বৈঠক অনুষ্ঠিত হয়। অহা ১১ অক্টোবৰৰপৰা নিয়মীয়াকৈ অনুষ্ঠিত হ'বলগীয়া বিভিন্ন বিভাগৰ প্ৰাৰ্থীবাছনিৰ পৰীক্ষাসমূহ যাতে সুপৰিকল্পিতভাৱে আৰু নিয়াৰিকৈ সম্পাদিত হয়, তাৰবাবে ল'বলগীয়া যথাসম্ভৱ ব্যৱস্থাসমূহ সভাত অৱগত কৰা হয়। পৰীক্ষাসংক্ৰান্তীয় সকলো স্তৰৰ পাৰিশ্ৰমিকৰ নিৰিখ সন্তোষজনকভাৱে বৃদ্ধিকৰণ, প্ৰতিটো পৰীক্ষাকেন্দ্ৰতে ভিডিঅ'গ্ৰাফী বাধ্যতামূলক কৰাৰ লগতে জামাৰ প্ৰয়োগৰ বাবে আয়োগে যথাসম্ভৱ ব্যৱস্থা গ্ৰহণ কৰিছে। ক'ভিড প্ৰটকলক সম্পূৰ্ণ মান্যতাৰে পৰীক্ষাকেন্দ্ৰসমূহে যাতে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰে, তাৰবাবে প্ৰয়োজনীয় পুঁজি যোগান ধৰা , পৰীক্ষাকেন্দ্ৰসমূহ চেনিটাইজ কৰা, নিয়মীয়া বিজুলীৰ সৰবৰাহ, আৰক্ষীৰ নিয়োগ আদি ক্ষেত্ৰতো আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ বাছনি পৰীক্ষাত সদ্য সংঘটিত ঘটনাৰাজিয়ে আয়োগকো চিন্তিত কৰি তুলিছে যদিও আয়োগৰ ক্ষেত্ৰত যে তেনে সুৰুঙাৰ অৱকাশ নাই, আয়োগ নিশ্চিত। তথাপিও পৰীক্ষাকেন্দ্ৰসমূহৰ দায়বদ্ধতাৰ ওপৰতেই বাছনি পৰীক্ষাসমূহৰ সফলতা যে নিৰ্ভৰশীল, সেই বিষয়টো সভাত গুৰুত্বসহকাৰে আলোচনা কৰা হয়। উপস্থিত বিষয়ববীয়া সকলে আগবঢ়োৱা মূল্যৱান পৰামৰ্শসমূহ কাৰ্য্যকৰীকৰণৰ যোগেদি আয়োগে অধিক ক্ষিপ্ৰতাৰে সমাগত পৰীক্ষাসমূহ অনুষ্ঠিত কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। বৰ্তমান অসম লোকসেৱা আয়োগৰ সকলো বাছনি প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছতাৰে মেধা আৰু দক্ষতাৰ ভিত্তিত সম্পাদন হৈ অহাৰ কথা দৃঢ়তাৰে দাঙি ধৰি সন্মানীয় অধ্যক্ষগৰাকীয়ে সকলোকে ঐকান্তিক সহযোগৰ বাবে আহ্বান জনায়।

স্বাক্ষৰ

সচিব

অসম লোকসেৱা আয়োগ